# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

-------------------

ধুবুৰী জিলা প্ৰশাসনে আজি চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাকুটা, চৰুৱাবাখৰা আৰু সন্তোষপুৰৰ লগতে আন কেইবাটাও অঞ্চলত উচ্ছেদ অভিযান চলায়। তাপবিদ্যুৎ প্ৰকল্প নিমাৰ্ণৰ বাবে ৰাজ্য চৰকাৰে আৱণ্টন কৰা প্ৰায় ৩ হাজাৰ ৪০০ বিঘা ভূমিত থকা এহেজাৰ ৬৯টা পৰিয়ালক জিলা প্ৰশাসনে উচ্ছেদ কৰে। সহস্ৰাধিক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত চলোৱা উচ্ছেদৰ সময়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ উচ্ছেদিতই ঘৰ ভাঙিবলৈ অহা এছকেভেটৰলৈ শিলগুটি নিক্ষেপ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা কৰে। আমাৰ ধুবুৰীৰ সংবাদদাতাই জনোৱা অনুসৰি বিধায়ক অখিল গগৈ উচ্ছেদস্থলীত উপস্থিত হোৱাৰ পাছতে একাংশ ৰাইজে আৰক্ষীক আক্ৰমণ কৰিবলৈ উদ্যত হয়। বিধায়ক অখিল গগৈক ধুবুৰী আৰক্ষীয়ে আটক কৰি চাপৰ থানাত কিছুসময়ৰ ৰখাৰ পাছত গোৱালপাৰা জিলাত মুকলি কৰি দিয়ে। উল্লেখযোগ্য যে উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত আজি অঞ্চলটোত উচ্ছেদ অভিযান স্থগিত ৰখা হয়।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ গুৰমৌত বড়ো জনগোষ্ঠীৰ বাথৌ থানচালি উদ্বোধন কৰে। ভৈয়াম জনজাতি উন্নয়ন পুঁজিৰ ধনেৰে নিৰ্মাণ কৰা বাথৌ থানচালি উদ্বোধন কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰাজ্যবাসীৰ কল্যাণৰ বাবে বাথৌ ভগৱানক প্ৰাৰ্থনা জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

ooooo

শোণিতপুৰ জিলাৰ গোলাপ বৰবৰা ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰত আজিৰে পৰা পাঁচদিনীয়াকৈ পঞ্চায়তৰ প্ৰতিনিধিসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জিলাখনৰ ৭৫গৰাকী নিৰ্বাচিত সভাপতি আৰু সভানেত্ৰীৰ প্ৰশিক্ষণ কাৰ্য উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে অনাগত দিনত পঞ্চায়তসমূহত সুশাসন প্ৰৱৰ্তন কৰাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মা, শোণিতপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত গোস্বামীৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২গৰাকী সভাপতি-সভানেত্ৰীৰ উপৰি আঞ্চলিক পঞ্চায়তৰ ৩৬৩ গৰাকী সভাপতি-উপসভাপতি আৰু জিলা পৰিষদৰ ৩৯৭ গৰাকী সদস্য জিলাভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। গাঁও পঞ্চায়তৰ নিৰ্বাচিত ২১ হাজাৰ ৫৯৮গৰাকী সদস্যকো জিলাভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। পৰ্যায়ক্ৰমে হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচী অহা ৮ ডিচেম্বৰত সামৰণি পৰিব।

ooooo

ৰাজ্যৰ আন জিলাৰ লগতে বাক্সা আৰু বৰপেটাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। বাক্সা জিলাৰ এগৰাকী মহিলা এই ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ৰোগী চিনাক্ত হোৱাৰ পাছতে জিলাখনৰ স্বাস্থ্য বিভাগে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। মাইকযোগে জনসাধাৰণক সচেতন কৰাৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হৈছে বুলি জিলা মেলেৰীয়া বিষয়া প্ৰদীপ কুমাৰ হালৈয়ে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে। বৰপেটা জিলাত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত জিলা পৰ্যায়ৰ টাস্ক

ফ’ৰ্চ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত জিলাখনত জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণ ধৰা পৰা অঞ্চলবোৰত ল’বলগীয়া অধিক সতৰ্কতামূলক ব্যৱস্থা, ফ’গিঙৰ ব্যৱস্থা কৰা সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে বৰপেটা জিলাত এই ৰোগত আক্ৰান্তৰ সংখ্যা ১৫ গৰাকীলৈ বৃদ্ধি হৈছে। একেদৰে জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত লোক চিনাক্ত কৰা হৈছে। এই লোকসকলৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

ooooo

বজালী জিলাৰ নিত্যানন্দ খণ্ড স্বাস্থ্য কেন্দ্ৰত বাহকজনিত ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ লক্ষ্যৰে এখন সভা অনুষ্ঠিত হয়। মেলেৰীয়া প্ৰতিৰোধ সজাগতা মাহ উপলক্ষে অনুষ্ঠিত এই সভাত বাহকজনিত ৰোগ প্ৰতিৰোধৰ বিষয়ে আলোচনা কৰা হয়। বিভিন্ন অঞ্চলত সজাগতা সভা পাতি এই ৰোগৰ বিষয়ে অৱগত কৰোৱা সন্দৰ্ভত সভাত গুৰুত্ব আৰোপ কৰা হয়। মেলেৰীয়াৰ লগতে ডেংগু, জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হ’লে চৰকাৰী ব্যৱস্থাৰ জৰিয়তে কেনেকৈ বিনামূলীয়া চিকিৎসা গ্ৰহণ কৰিব পাৰি এই সন্দৰ্ভত স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰীয়ে বক্তব্য আগবঢ়ায়।

ooooo

কামৰূপ জিলাৰ আমিনগাঁৱত আজি ডায়েৰীয়া ৰোধ অভিযান ২০২৫ শীৰ্ষক জিলা পৰ্যায়ৰ পৰিচালনা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনত ডায়েৰীয়া ৰোগ প্ৰতিৰোধৰ বাবে ল’বলগীয়া প্ৰয়োজনীয় ব্যৱস্থাৱলী সন্দৰ্ভত আলোচনা কৰা হয়। অহা ১০ জুলাইৰ পৰা ২৫ ছেপ্তেম্বৰলৈ হ’বলগীয়া ডায়েৰীয়া নিৰ্মূল অভিযানত সকলো বিভাগ একত্ৰিত হৈ ডায়েৰীয়া প্ৰতিৰোধৰ উপায়ৰ লগতে এই ৰোগত আক্ৰান্ত শিশুৰ যতন সম্পৰ্কে সজাগতা বৃদ্ধিৰ ওপৰত সভাত আলোচনা কৰা হয়। পৰ্যালোচনা বৈঠকত স্বাস্থ্য বিভাগৰ লগতে সমাজ কল্যাণ, শিক্ষা, জনস্বাস্থ্য আৰু কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া উপস্থিত থাকে।

ooooo

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অস্থিৰোগ বিভাগৰ এটা কোঠাত আজি অগ্নিকাণ্ড সংঘটিত হয়। নথি-পত্ৰ থকা এটা কোঠাৰ ভিতৰত জুই লাগি ধোঁৱা নিৰ্গত হোৱা চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীৰ লোকে তৎপৰতাৰে জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয়। শ্বৰ্ট চাৰ্কিটৰ ফলত জুইৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে।

ooooo

ধুবুৰী জিলাৰ চাপৰৰ শ্ৰীগ্ৰাম ষষ্ঠ খণ্ডৰ মছকাগুৰী গাঁৱত সংঘটিত এটা দুৰ্ঘটনাত চাৰিজন লোক নিহত হৈছে। এখন ইটাভৰ্তি ট্ৰাক নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত বাগৰি পৰাত চাৰিজন লোক নিহত হয়। দুৰ্ঘটনাত দুজন লোক কথমপি ৰক্ষা পৰে। স্থানীয় ৰাইজ আৰু আৰক্ষীয়ে খাৱৈৰ পৰা চাৰিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে।

ooooo

সমাপ্ত